জাতৰ আৱেগ সমাজৰ বিবেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

...তম বছৰ, সংখ্যা ১৫৯ ● শুকুৰবাৰ ● ৩ ফাগুন ১৯৪৫ শক RNI No. ASSASS/2006/16737 THE DAINIK JANAMBHUMI Tinsukia Friday February 16, 2024 ● ১৬ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ

মহাবাৰ্ চিলাৰায় দিৱস উপলক্ষে হ বলগায়া কোচ-ৰাজবংশী

...ত্ৰ সন্থাৰ (আছা) কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ...ৱাৰীত গুৱাহাটী INTUC কাৰ্যালয়ত ... এক বিবৃতি যোগে সংগঠনটোৰ সভাপতি ...সভাপতি দেবেন উৰাং আৰু সম্পাদক ... জানিবলৈ দিছে। কাৰ্যনিৰ্বাহক সভাত ...তিকৰণ, মাটিৰ পট্টা, জাতিগত প্ৰমাণ-পত্ৰ, ...জুৰিৰ বিষয়টো আলোচনা কৰি আগন্তুক ...হ'ব। সভাত আগন্তুক লোকসভা নিৰ্বাচনৰ ...না কৰা হ'ব বুলি নেতাত্ৰয়ে জানিবলৈ দিছে।

## ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ বি চি এ বিভাগৰ এশ শতাংশ উত্তীৰ্ণ

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ১৫ ফেব্ৰুৱাৰী ঃ কানৈ মহাবিদ্যালয়ত আৰম্ভ কৰা বি চি এ পাঠ্যক্ৰমৰ পঞ্চম ষাণ্মাসিকত এশ শতাংশ পৰীক্ষাৰ্থী উত্তীৰ্ণ হোৱাত মহাবিদ্যালয়খনত আনন্দৰ বন্যা বৈছে। ২০১৬ বৰ্ষৰ পৰা আৰম্ভ কৰা এই বি চি এ বিভাগত ছাত্ৰ-ছাত্ৰীয়ে আধুনিক প্ৰযুক্তিৰ জ্ঞান লাভ কৰিছে। বিভিন্ন বক্তৃতা, আলোচনা চক্ৰ, কৰ্মশালাৰ আয়োজন কৰি ছাত্ৰ-ছাত্ৰীসকলক পৃথিৱীৰ শেহতীয়া প্ৰযুক্তিৰ জ্ঞান দিবলৈ চেষ্টা কৰা হৈছে। এইবাৰ ঘোষণা কৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ফলত কানৈ মহাবিদ্যালয়ৰ পৰা অৱতীৰ্ণ হোৱা ৩১গৰাকী পৰীক্ষাৰ্থীৰ আটায়ে সন্তোষজনক নম্বৰসহ উত্তীৰ্ণ হোৱাত অধ্যক্ষ ড° শশীকান্ত শইকীয়াই সন্তোষ প্ৰকাশ কৰিছে।

## তিনিচুকীয়াৰ বৰডুবিত ... গেছ সংযোগ মুকলি

দুলীয়াজান ঃ নিজা প্ৰতিবেদক, ১৫ ফেব্ৰুৱাৰী ঃ তিনিচুকীয়া জিলাৰ বৰডুবিত অসম চৰকাৰৰ লাভজনক উদ্যোগ প্ৰতিষ্ঠান অসম গেছ কোম্পানীয়ে ৪৫৭গৰাকী লোকৰ গৃহলৈ পাইপ যোগে ঘৰুৱা ৰন্ধন